Assam Judicial Service Grade III (Mains) 2023

Paper V · Assamese · compulsory paper

13 August 2023 · 50 marks · 2 hours

১. তলত উল্লেখ কৰা গ্ৰন্থ কেইখনৰ ৰচকৰ নাম লিখক (১ × ৫ = ৫)

১(ক) কীৰ্তন ঘোষা

১(খ) নাম ঘোষা

১(গ) মৃত্যুঞ্জয়

১(ঘ) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

১(ঙ) মাকাম

২. তলৰ শব্দ কেইটিৰ অর্থ লিখক (½ × ৬ = ৩)

২(ক) বিয়াগোম

২(খ) সমীহ

২(গ) নিঃকিন

২(ঘ) স্বতন্ত্ৰ

২(ঙ) খ্যাতনামা

২(চ) ভৃত্য

৩. তলত উল্লেখ কৰা বানান কেইটা শুদ্ধকৈ লিখক (½ × ৬ = ৩)

৩(ক) অধ্যক্ষ্য

৩(খ) অনুস্থান

৩(গ) গন্ধুৰ

৩(ঘ) গৰিয়সী

৩(ঙ) নৰীয়া

৩(চ) দুর্ণাম

৪. এটা শব্দত প্ৰকাশ কৰক (½ × ৬ = ৩)

৪(ক) ঘাঁহেৰে ভৰা যি ঠাই

৪(খ) যি একে গোত্ৰৰ

৪(গ) যি পৰৰ ঠাইত বাস কৰে

৪(ঘ) যাৰ মূৰত চুলি নাই

৪(ঙ) যি একেলগে পঢ়ে

৪(চ) যি অলপতে শুনে

৫. তলত উল্লেখ কৰা বিশিষ্ট লেখিকা দুগৰাকীৰ ভিতৰত যিকোনো এগৰাকীৰ বিষয়ে ৫০টা শব্দৰ ভিতৰত চমু টোকা লিখক (৪)

৫(ক) মামণি ৰয়ছম গোস্বামী

৫(খ) নির্মল প্রভা বৰদলৈ

৬. তলৰ যিকোনো এটা ভাব সম্প্রসাৰণ কৰক (৫০টা শব্দৰ ভিতৰত) (৪)

৬(ক) আপোন ভালেই জগত ভাল

৬(খ) অল্প বিদ্যা ভয়ংকৰী

৭. কবি ৰঘুনাথ চৌধাৰী দেৱে লিখা "বহাগীৰ বিয়া" নামৰ কবিতাটিৰ তলত দিয়া পংক্তিটো প্রসংগ সংগতি লগাই ব্যাখ্যা কৰক (২+৩=৫) — প্রকৃতি জীয়ৰী গাভৰু ছোৱালী / বহাগী আইৰে বিয়া, / উলহ-মালহে সকলোৰে যেন / আনন্দৰে নধৰে হিয়া।

৮. অর্থ লিখি বাক্য ৰচনা কৰক (১½ × ৪ = ৬)

৮(ক) মন ডাঠ

৮(খ) হাত দীঘল

৮(গ) বুকুত কামোৰ মাৰ

৮(ঘ) কাঠ চিতীয়া

৯. খালী ঠাই পূৰণ কৰক (½ × ৬ = ৩)

৯(ক) অভ্যাসৰ নৰ ..... কৰে শৰ।

৯(খ) চোৰ গলে বুদ্ধি, বৰষুণ গলে .....।

৯(গ) ..... কৰিলেহে ৰত্ন পায়।

৯(ঘ) হৰিণাৰ ..... বৈৰী।

৯(ঙ) আপোন ..... জগত ভাল।

৯(চ) ..... পৰম ধন।

১০. তলত দিয়া শব্দবোৰৰ অসমীয়া প্রতিশব্দ / প্রতিভাষা লিখক (১ × ৪ = ৪)

১০(ক) Sessions Judge

১০(খ) Chief Judicial Magistrate

১০(গ) Public Prosecutor

১০(ঘ) Government Advocate

১১. গুৱাহাটী উচ্চ ন্যায়ালয়ে উদযাপন কৰা মহা ৰজত জয়ন্তী উপলক্ষে ১৫০ৰ পৰা ২০০ শব্দৰ ভিতৰত এখন ৰচনা লিখক (১০)